# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 17-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰায় ১১ হাজাৰ কোটি টকাৰ ব্যয়সাপেক্ষ দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব।

২। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম তিনি মাহৰ দেশৰ বৈদ্যুতিন সামগ্ৰীৰ ৰপ্তানি ৪৭ শতাংশৰো অধিক বৃদ্ধি পাইছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক নাগালেণ্ডৰ ৰাজ্যপালৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিছে।

৪। পাকিস্তানৰ উত্তৰ প্ৰান্তত আকস্মিক বান আৰু ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৫০ লৈ বৃদ্ধি পাইছে।

***আৰু***

৫। যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰায় ১১ হাজাৰ কোটি টকাৰ ব্যয়সাপেক্ষ দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব। এই প্ৰকল্পৰ ভিতৰত দ্বাৰকা এক্সপ্ৰেছৱে'ৰ দিল্লী খণ্ড আৰু নগৰ সম্প্ৰসাৰণ পথৰ দ্বিতীয় পৰ্যায় আছে। প্ৰধানমন্ত্ৰীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে জনসাধাৰণৰ জীৱন সুচল কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিযোগে কৈছে যে যোগাযোগ উন্নত কৰা, যাত্ৰাৰ সময় হ্ৰাস কৰা আৰু দিল্লী আৰু ইয়াৰ আশ-পাশত এলেকাসমূহত যান-জঁট হ্ৰাস কৰাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা সৰ্বাত্মক পৰিকল্পনাৰ অধীনত এই প্ৰকল্প দুটা বিকশাই তোলা হৈছে। প্ৰকল্প দুটা উদ্বোধনৰ লগত সংগতি ৰাখি শ্ৰীমোদীয়ে এটা সমাবেশতো ভাষণ দিব।

০০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম তিনি মাহৰ দেশৰ বৈদ্যুতিন সামগ্ৰীৰ ৰপ্তানি ২০২৪-২৫ বৰ্ষৰ একেই সময়ছোৱাৰ তুলনাত ৪৭ শতাংশৰো অধিক বৃদ্ধি পাইছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। শ্ৰী গোৱেলে কালি সামাজিক মাধ্যমযোগে কয়, যে মেক ইন ইণ্ডিয়া অভিযানৰ সাফল্যৰ বাবে যোৱা দশকত বৈদ্যুতিন সামগ্ৰী উৎপাদন তিনি হাজাৰ ১০০ কোটি ডলাৰৰ পৰা ১৩ হাজাৰ ৩০০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে। শ্ৰী গোৱেলে কয়, যে চৰকাৰে নিৰ্মাণ খণ্ডত দেশক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে প্ৰয়াস চলাই আছে। তেওঁ কয়, যে এনে প্ৰয়াসৰ ফলস্বৰূপে দেশত মোবাইল ফোন নিৰ্মাণ গোটৰ সংখ্যা সম্প্ৰতি তিনিশৰো অধিক হৈছে। ২০১৪ চনত দেশত মাত্ৰ দুটা মোবাইল ফোন নিৰ্মাণ গোট আছিল বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত সম্প্ৰতি মোবাইল ফোন আমদানিকাৰী নহয় বৰং বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ মোবাইল ফোন নিৰ্মাণকাৰী ৰাষ্ট্ৰ। বৈদ্যুতিন খণ্ডত কৰ্ম সংস্থাপনৰ ন ন সুযোগ সৃষ্টি হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক নাগালেণ্ডৰ ৰাজ্যপালৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিছে। ৰাষ্ট্ৰপতি ভৱনৰ তৰফৰ পৰা জাৰি কৰা এখন বিজ্ঞপ্তিত এই বুলি কোৱা হৈছে, যে নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত শ্ৰী ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চো হ্যুনৰ সৈতে বৈঠকত মিলিত হয়। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয়, যে তেওঁলোকে বাণিজ্য, নিৰ্মাণ, সামুদ্ৰিক সহযোগিতা আৰু উভয় দেশৰ জনসাধাৰণৰ মাজত আদান-প্ৰদান বৃদ্ধিকে ধৰি দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ বিষয়ে ফলপ্ৰসূভাৱে আলোচনা কৰে। বৈঠকত কৃত্ৰিম বুদ্ধিমত্তা, অৰ্ধপৰিবাহী, নিকা শক্তি আৰু প্ৰতিৰক্ষাসহ নিত্য নতুন খণ্ডসমূহত সহযোগিতাৰ নতুন সুযোগৰ অন্বেষণ কৰা বুলিও ড০ জয়শংকৰে প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকে লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয়া অঞ্চল আৰু শেহতীয়া গোলকীয় ঘটনাক্ৰমক লৈ মত বিনিময় কৰে। বৈঠকত ড০ জয়শংকৰে উভয় দেশৰ মাজৰ বিশেষ কৌশলগত সহযোগিতাৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দুয়ো দেশৰ মাজৰ শক্তিশালী সম্বন্ধ আৰু ঘনিষ্ঠ সমন্বয়ৰ ভূয়সী প্ৰশংসা কৰে।

দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চো হ্যুনে কয়, যে সন্ত্ৰাসবাদ সন্দৰ্ভত তেওঁৰ দেশৰ স্থিতি কঠোৰ। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত শ্ৰী হ্যুনে কয়, যে তেওঁৰ দেশ ভাৰতৰ সৈতে আছে। তেওঁ কয়, যে দক্ষিণ কোৰিয়াই যিকোনো সন্ত্ৰাসবাদী আক্ৰমনৰ বিৰোধিতা কৰে।

০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰি আজি দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে নেপাললৈ যাব। নেপালৰ বৈদেশিক সচিব অমৃত বাহাদুৰ ৰায়ৰ আমন্ত্ৰণ মৰ্মে শ্ৰী মিশ্ৰি দেশখনলৈ যাব। ছেপ্টেম্বৰত নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিৰ সম্ভাব্য নেপাল ভ্ৰণৰ পূৰ্বে সচিব পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত উভয় দেশৰ সীমান্ত সুৰক্ষা, বিমান পৰিবহণ, শক্তি খণ্ডকে ধৰি আন বিভিন্ন ক্ষেত্ৰত থকা সহযোগিতা অধিক বৃদ্ধি কৰাৰ সন্দৰ্ভত আলোচনা

হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ভাৰত আৰু নেপালৰ মাজত শক্তিশালী আৰু বন্ধুত্বসুলভ সম্পৰ্ক আছে আৰু যোৱা কিছু বছৰত বিভিন্ন ক্ষেত্ৰত থকা সহযোগিতা যথেষ্ট বৃদ্ধি পাইছে। ভাৰতে চুবুৰীয়া ৰাষ্ট্ৰ প্ৰথম নীতিৰ অধীনত নেপালৰ সৈতে থকা সম্পৰ্কক শীৰ্ষ অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

ooooo

পাকিস্তানৰ উত্তৰ প্ৰান্তত আকস্মিক বান আৰু ভূমিস্খনত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৫০ লৈ বৃদ্ধি পাইছে। দেশখনত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে উত্তৰ প্ৰান্তৰ খাইবাৰ পাখ্তুনখৱা প্ৰদেশত ৩২৪ আৰু বুনেৰ জিলাত ২০০ জনৰো অধিক লোকে প্ৰাণ হেৰুওৱা বুলি কালি প্ৰকাশ কৰে। প্ৰাদেশিক চৰকাৰে আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত বুনেৰ, বাজাউৰ, স্বাত, ছাংলা, মান চেহেৰা আৰু বাট্টাগ্ৰামত সৰ্বাধিক ক্ষতি হোৱা বুলি জানিবলৈ দিছে।

ooooo

বিজেপিৰ সংসদীয় বোৰ্ডৰ এখন বৈঠক আজি নতুন দিল্লী স্থিত দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব। বৈঠকত সংসদীয় বোৰ্ডৰ সকলো সদস্যই ভাগ ল'ব। দলৰ সূত্ৰই প্ৰকাশ কৰা মতে বৈঠকত উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন সম্পৰ্কে আলোচনা হোৱাৰ সম্ভাৱনা আছে। শাসকীয় এন ডি এ যোৱা ৬ আগষ্টৰ এটা সৰ্বসন্মত প্ৰস্তাৱ যোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ বাবে মিত্ৰজোটৰ প্ৰাৰ্থী চূড়ান্ত কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বৃহস্পতিবাৰ পৰ্যন্ত মনোনয়নপত্ৰ দাখিল কৰিব পৰা যাব। ৯ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হৈছে।

ooooo

ভাৰতলৈ উভতি অহা আন্তঃৰাষ্টীয় মহাকাশ অভিযানৰ নায়ক , গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক আজি নিচেই পুৱাতে দিল্লীৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনোৱা হয়। কেন্দ্ৰীয় মন্ত্ৰী ড ° জীতেন্দ্ৰ সিং, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু ইছৰ 'ৰ অধ্যক্ষ ড ° ভি নাৰায়ননে বিমান বন্দৰত আদৰণি জনায়।মহাকাশচাৰী শুভাংশু শুক্লাৰ পত্নী আৰু পুত্ৰয়ো বিমানবন্দৰত উপস্থিত থাকি তেওঁক ঘৰলৈ আদৰণি জনায়।আন্তঃৰাষ্টীয় মহাকাশ কেন্দ্ৰ - আই.এছ এছ.ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই মহাকাশ অভিযানৰ পাছত পুনৰ্বাসনৰ বাবে আমেৰিকাত কিছুদিন কটাই আজি নিচেই পুৱাতে ভাৰতত উপস্থিত হৈছেহি।

উল্লেখযোগ্য যে বিশ্বৰ এগৰাকী আগশাৰীৰ মহাকাশচাৰী আৰু ভাৰতীয় বায়ুসেনাৰ বিষয়া শুভাংশু শুক্লা চলিত বৰ্ষৰ ২৫ জুনত ফ্ল'ৰিডাৰ কেনেডী মহাকাশ কেন্দ্ৰৰ পৰা উৰা

মৰা এক্সিঅ'ম-4 অভিযানৰ পাইলট আছিল। এই অভিযানত তেওঁ মহাকাশত বৈজ্ঞানিক গৱেষণা আগবঢ়াই নিয়াৰ লক্ষ্যৰে কেইবাটাও মাইক্ৰ ' গ্ৰেভিটি পৰীক্ষা- নিৰীক্ষা কৰিছিল।তেওঁ বিগত মাহৰ ১৫ তাৰিখে নিৰাপদে পৃথিৱীলৈ ঘুৰি আহিছিল। অহা বছৰৰ শেষৰফালে মুকলি হ 'বলগীয়া ভাৰতৰ প্ৰথমটো মানৱ মহাকাশ অভিযান গগণযানৰ বাবে বাছনি কৰা মহাকাশচাৰীসকলৰ ভিতৰত শুভাংশু শুক্লা অন্যতম।

ooooo

চীনৰ বৈদেশিক মন্ত্ৰী ৱাং ই কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ আমন্ত্ৰণ মৰ্মে নেতাগৰাকী ভাৰতলৈ আহিব। ভ্ৰমণৰ সময়ছোৱাত চীনৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে ভাৰত-চীন সীমান্ত বিষয় বন্দৰ্ভত ভাৰতৰ বিশেষ প্ৰতিনিধি অজিত দোভালৰ সৈতে ২৪ সংখ্যক বিশেষ প্ৰতিনিধি আলোচনা বৈঠকত মিলিত হ'ব। ভাৰতৰ বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰে ৱাং ইৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

ooooo

যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰিছে। কোকৰাঝাৰৰ ভাৰতীয় খেল প্ৰাধীকৰণৰ ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে বড়োলেণ্ড এফ চিক ৪-০ গলত পৰাস্ত কৰে। চেমিফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এছ্ চিৰ সন্মুখীন হ'ব। শ্বিলং লাজং এফ চিয়ে শ্বিলঙত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় নৌ সেনা দলক ২-১ গলত পৰাস্ত কৰি চেমিফাইনেলত স্থান নিশ্চিত কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মোহন বাগান ছুপাৰ জায়েণ্ট ইষ্ট বেংগলৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। এই খেলৰ বিজয়ী দলটো চেমিফাইনেলত জমছেদবুৰ এফ চি আৰু ডায়মণ্ড হাৰ্বাৰ এফ চিৰ মাজৰ চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলৰ বিজয়ী দলটোৰ সন্মুখীন হ'ব।

ooooo

সমাপ্ত